Language and Literacy

ভাষা আৰু সাক্ষৰতা

TESS India

# Authentic writing

# প্ৰকৃত লিখন





Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA

http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.

TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

**Video resources**

Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0 LL09v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/

TESS-India is led by The Open University UK and funded by UK aid from the UK government

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটটোত আপুনি শ্ৰেণীকোঠাত আনন্দদায়ক, উদ্দেশ্যভিত্তিক আৰু প্ৰকৃত লিখন কাৰ্য একেলগে সংঘটিত কৰাত আলোকপাত কৰিব লাগিব। লিখনৰ দৰকাৰী কৌশল বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক অভিৰোচিত কৰিব লাগিব। আপুনি বিভিন্ন ৰচনা আৰু প্ৰতিলিপিৰ পাৰ্থক্যত গুৰুত্ব দিব লাগিব। ইয়াৰ বাবে লিখনিত গুৰুত্ব আৰোপ কৰি এটা পাঠ পৰিকল্পনা কৰক লগতে সহযোগী আৰু অংশীদাৰী শিক্ষণ ছাত্ৰ-ছাত্ৰীৰ লগত কৰি চাওক।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপুনি কেনেকৈছাত্ৰ-ছাত্ৰীৰ লিখনিৰ প্ৰকৃত দৰ্শক আৰু উদ্দেশ্য চিনাক্ত কৰিব।
- ছাত্ৰ-ছাত্ৰীৰ লিখনিত ৰচনা আৰু প্ৰতিলিপিৰ সমতা কেনেকৈ ৰাখিব।
- কেনেকৈ অংশীদাৰী লিখনৰ ক্ৰি য়া-কলাপৰ পৰিকল্পনা কৰিব, যিয়ে পাৰস্পৰিক আৰু সামাজিক শিকনত উৎসাহিত কৰে।

## এই পদ্ধতিটো কিয় গুৰুত্বপূৰ্ণ (Why this approach is important)

লিখনিৰ সদায় এজন দৰ্শক বা শ্ৰোতা থাকে- সেইজন তেওঁ নিজেও হ'ব পাৰে। একেদৰে প্ৰত্যেক লিখনিৰ এটা উদ্দেশ্য থাকে। ই বজাৰৰ পৰা চাউল কিনি অনাৰ বাবে মনত পেলোৱা টুকুৰা এটাও হ'ব পাৰে । স্কুলত লিখিবলৈ দিয়া কাৰ্যৰ কেতিয়াবা এনে প্ৰকৃত দৰ্শক আৰু উদ্দেশ্যৰ অভাৱ হোৱা দেখা যায়। বিশেষকৈ যেতিয়া ছাত্ৰ-ছাত্ৰী যান্ত্ৰিকভাৱে এই কামৰ অনুশীলন কৰে। যদি লিখা কাৰ্যবোৰ বা কথাবোৰ প্ৰকৃত বা সত্য নহয় তেতিয়া ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণকৈ ইয়াৰ মোল বুজিব নোৱাৰিব আৰু লিখনিৰ কৌশলবোৰ কিমান আনন্দদায়ক আৰু সৃষ্টিধৰ্মী তাৰ মৰ্ম উপলব্ধি কৰিব নোৱাৰিব।

লিখনিৰ বিকাশৰ বাবে দুটা প্ৰধান উপাদান আছে — ৰচনা আৰু প্ৰতিলিপিকৰণ / লিপিবদ্ধ কৰা ।

- ৰচনাক এজন লিখকৰ 'ভূমিকা' বুলি বিবেচিত কৰিব পাৰি, যিজনে জানে যে তেওঁৰ লিখনিবোৰ কোনে পঢ়িব (পাঠক), আৰু লিখনিবোৰে কি পাব বিচাৰে (ইয়াৰ উদ্দেশ্য), ভাবৰ উদ্ভাৱন আৰু সংগঠন কৰি, কিধৰণৰ ভাষাৰ শৈলী বা চানেকি ব্যৱহাৰ কৰিব, তাক পছন্দ / বাছনি কৰিব।
- প্ৰতিলিপিকৰণক সম্পাদক বা চেত্ৰে টাৰীৰ ভূমিকা বুলি বিবেচিত কৰিব পাৰি - অৰ্থাৎ ই প্ৰমাণ কৰি দেখুৱায় যে লিখনি স্পষ্ট, বানান শুদ্ধ, যতি চিহ্ ও যথাৰ্থ আৰু পাঠৰ মুদ্ৰণ সজ্জা সঠিক।

শিক্ষকসকলে সাধাৰণতে প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিলিপিকৰণ কাৰ্য আৰু এইবোৰৰ ব্যাখ্যা আৰু শুধৰণিৰ ওপৰতেই আলোকপাত কৰে। সি যি কি নহওক লিখনিৰ এই দুটা উপাদানৰ ভিতৰত ৰচানা কৌশল আয়ত্ত কৰাটো গুৰুত্বপূৰ্ণ।

যেতিয়া আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো কথা লিখিবলৈ আৰম্ভ কৰে তেনে কাৰ্যই তেওঁলোকৰ আগ্ৰহ আৰু উৎসাহ বঢ়ায়। অৰ্থাৎ যেতিয়া তেওঁলোকৰ নিজে ৰচনা কৰিব পৰা কৌশল বিকাশ হয় তেতিয়া - তেওঁলোকে আখৰ লিখা কৌশল, বানান, বিৰাম চিহ্ংকণ আৰু দফা লিখিবলৈ অভ্যাস কৰিব। সেইবাবেই প্ৰকৃত ৰচনা লিখনৰ কাম ছাত্ৰ-ছাত্ৰীৰ লগত পৰিচয় কৰোৱাটো গুৰুত্বপূৰ্ণ তেতিয়াহে তেওঁলোকে স্বাধীনভাৱে অৰ্থপূৰ্ণ পাঠৰ লিখক হ'ব পাৰিব।

## ১) প্ৰকৃত পৃথিৱীত লিখন (1 Writing in the real world)

### ক্ৰি য়া-কলাপ ১ঃ প্ৰকৃত পৃথিৱীত লিখন (Activity 1: Writing in the real world)

কেনেধৰণৰ লিখনি আপুনি স্কুলৰ চৌহদত আৰু আপোনাৰ সমাজত দেখিবলৈ পায়? আপুনি আপোনাৰ সহকৰ্মীৰ সৈতে কিছুসময় লৈ এখন তালিকা প্ৰস্তুত কৰক। তলৰ উদাহৰণবোৰ তালিকাত সন্নিৱিষ্ট হ'ব লাগিব —

- যান বাহনৰ চিহ্
- ইস্তাহাৰ বা জাননী / বিজ্ঞাপন
- সময়সূচী
- স্বাস্থ্যজনিত / প্ৰচাৰপত্ৰ বা প'ষ্টাৰ

- ৰাজনৈতিক -গান
- কেলেণ্ডাৰ / দিনপঞ্জী
- ধৰ্মীয় পাঠ
- আলোচনী
- বাতৰি কাকত
- কিতাপ
- কথাছবিৰ প'ষ্টাৰ
- বিদ্যালয়ৰ জাননী
- স্কুলৰ চাৰ্ট
- উপস্থিতিৰ চাৰ্ট

| **সপ্তাহৰ খোৱা খাদ্যৰ তালিকাৰ** | **মধ্যাহ ভোজনৰ খাদ্য তালিকাৰ বিকল্প (সালসলনি)** |
|---|---|
| সোমবাৰ | ভাত, দাইল, সেউজীয়া শাক-পাচলি |
| মঙলবাৰ | খিচিৰি, চয়াবিন, শাক-পাচলি |
| বুধবাৰ | ভাত, কণীৰ তৰকাৰি, স্থানীয়ভাৱে পোৱা তৰকাৰি, সেউজীয়া শাক-পাচলি |
| বৃহস্পতিবাৰ | ভাত, দাইল, সেউজীয়া শাক-পাচলি |
| শুত্র বাৰ | ভাত, দাইল, সেউজীয়া শাক-পাচলি |
| শনিবাৰ | খিচিৰি বা পোলাও, স্থানীয়ভাৱে পোৱা তৰকাৰি, সেউজীয়া শাক-পাচলি |

চিত্ৰ ১ ঃ এখন বিদ্যালয়ৰ খাদ্যৰ তালিকা

এতিয়া তলৰ শাখা দুটাৰ উত্তৰ কৰক —

- **শাখা ১** (Set 1) ঃ
  - কেনেধৰণৰ লিখনি আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে ঘৰত বা সমাজত দেখিবলৈ পায় বুলি আপুনি ভাৱে?
  - এই লিখনিবোৰৰ সম্ভাব্য দৰ্শক কোন?
  - এনে লিখনিৰ উদ্দেশ্য কি?
- **শাখা ২** (Set 2) ঃ
  - কেনেধৰণৰ লিখন কাৰ্য স্কুলত আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কৰে?
  - এই লিখনিবোৰৰ সম্ভাব্য দৰ্শক কোন?
  - এই লিখনিৰ উদ্দেশ্য কি?

আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে বাহিৰত দেখা লিখনি আৰু তেওঁলোকে স্কুলত লিখা লিখনিৰ মাজত কিবা মিল দেখেনে? কিয় বা কিয় নহয়?

ঘটনা অধ্যয়ন ১ ত আপুনি এগৰাকী শিক্ষকে প্ৰকৃত / বাস্তৱ পৃথিৱীৰ লিখন স্কুলৰ শ্ৰেণীকোঠাত প্ৰয়োগ কৰা সম্পৰ্কে পঢ়িবলৈ পাব।

## ঘটনা অধ্যয়ন ১ ঃ পোষ্ট কাৰ্ড লিখন (Case Study 1: Writing postcards)

শবনম বেগম শিলচৰৰ এখন স্কুলৰ দ্বিতীয় শ্ৰেণীত পঢ়োৱা এগৰাকী শিক্ষয়িত্ৰী। ইয়াত তেওঁ কম বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ লগত সহজ লিখনৰ ত্ৰি য়া-কলাপ বৰ্ণনা কৰিছে।

জহকালি আৰম্ভ হোৱাৰ আগতে মই দিল্লী ভ্ৰমণ কৰিবলৈ যোৱা মোৰ বন্ধু এজনৰ পৰা এখন পোষ্ট কাৰ্ড পাইছিলোঁ। মই সেইখন শ্ৰেণীলৈ লৈ গৈ ছাত্ৰ-ছাত্ৰীসকলক দেখুৱাইছিলোঁ। তেওঁলোকে পোষ্ট কাৰ্ডৰ সন্মুখফালে থকা লালকিল্লাৰ ছবি আৰু পাছফালে মোলৈ

লিখা খবৰ থকা কাৰ্ডখন দেখি খুব উত্তেজিত হৈছিল।

মই পোষ্ট কাৰ্ডখনৰ জৰিয়তে এটা পাঠ পৰিকল্পনা কৰি ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ জন্মাবলৈ সিদ্ধান্ত লৈছিলোঁ। মই ছাত্ৰ-ছাত্ৰীসকলক সমকোণী চতুৰ্ভূজৰ আকাৰত ডাঠ বগা কাগজৰ কাৰ্ড কাটি প্ৰত্যেককে একোখনকৈ দিছিলোঁ। মই কাৰ্ডখনৰ এফালে তেওঁলোকৰ পৰিচিত বা কল্পনাৰ পৰা একোখনকৈ ছবি আঁকিবলৈ কৈছিলোঁ।

যেতিয়া তেওঁলোকে কামটো কৰি শেষ কৰিছিল মই তেতিয়া তেওঁলোকক কাৰ্ডখন ওলোটাই লৈ দুটা ভাগত ভগাবলৈ দিছিলোঁ। সোঁফালে তেওঁলোকক ঘৰৰ ঠিকনা লিখিবলৈ কৈছিলোঁ, যিবিলাকে পৰা নাছিল তেওঁলোকক কেনেকৈ লিখে বুজাই দি লিখিবলৈ কৈছিলোঁ।

ঠিকনাৰ বাওঁফালে তেওঁলোকে মাক দেউতাকলৈ এটা বাৰ্তা লিখিছিল। মই ব্লেকব'ৰ্ডত আৰ্হি হিচাপে কেইটামান বাক্য লিখি দিছিলোঁ। যেনে - 'Dear Maa and Deuta,' I hope you are well', 'I send you greetings' এইদৰে মই যিবিলাক দুৰ্বল ছাত্ৰ-ছাত্ৰী তেওঁলোকক সহায় কৰিছিলোঁ। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে লিখিব জানিছিল তেওঁলোকে তেওঁলোকৰ পছন্দমতে লিখিছিল। শেষত তেওঁলোকে বাৰ্তাৰ তলত চহী কৰিছিল।

মোৰ প্ৰধান শিক্ষকে দয়া কৰি প'ষ্টকাৰ্ডত লগাবলৈ টিকট কিনাৰ বাবে পইচাৰ যোগান ধৰিছিল। প'ষ্টকাৰ্ডৰ ওপৰত সোঁহাতে টিকট লগোৱাৰ পাছত মই ছাত্ৰ-ছাত্ৰীৰ সৈতে ওচৰত থকা ডাক বাকচৰ ওচৰলৈ গৈছিলোঁ আৰু তেওঁলোকে কাৰ্ডবোৰ ডাক বাকচৰ ভিতৰলৈ পেলাই দিছিল।

যেতিয়া পাছৰ সপ্তাহতে চিঠিবোৰ ঘৰৰ মানুহে পাইছিল তেতিয়া মোৰ ছাত্ৰ-ছাত্ৰীসকল উৎফুল্লিত হৈছিল। তেওঁলোকৰ পিতৃ-মাতৃ সকলেও এই কাৰ্ডবোৰ পাই আনন্দ পাইছিল।

### **চিন্তন** (Pause for thought)

- ৰচনা আৰু প্ৰতিলিপি লিখনৰ এই প'ষ্টকাৰ্ড ক্ৰিয়া-কলাপটোৰ দ্বাৰা শবনম বেগমৰ ৰচনা আৰু প্ৰতিলিপি সম্বন্ধীয় কাৰ্যৰ কেনেকৈ সমতা ৰক্ষা হ'ল?
- ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই ক্ৰিয়া-কলাপটো কেনেকৈ উপযোগী কৰি তুলিব?

এই ক্ৰিয়া-কলাপটোত ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ নিজৰ ধাৰণা প্ৰয়োগ কৰি লিখিবলৈ দিয়া হয়, লগতে শিক্ষকে কিছু খণ্ড বাক্যৰ যোগান ধৰে যাতে তেওঁলোকৰ প্ৰয়োজন মতে লিখনত ব্যৱহাৰ কৰিব পাৰে। অভিভাৱক সকললৈ বাৰ্তা পঠিওৱা ক্ৰিয়া-কলাপেৰে ঘৰ আৰু স্কুলৰ যোগাযোগ যথাৰ্থভাৱে উন্নত কৰে। ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ইচ্ছা অনুসৰি লিখাৰ সুবিধা দিয়ে। তেওঁলোকে নিজৰ ভিতৰতে প'ষ্টকাৰ্ড লিখি পঠিয়াব পাৰে বা আন স্কুলৰ চিনাকি বন্ধুসকললৈও লিখিব পাৰে।

## ২) অংশীদাৰী লিখন (2 Shared writing)

আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীৰ বাবে লিখন কাৰ্য আৰম্ভ কৰা আৰু কি লিখিব সেই সম্পৰ্কে কিছু অসুবিধা হ'ব পাৰে। সকলোৰে ভাব ধাৰণা একেলগ কৰি সহযোগিতাৰে কাম কৰিলে শ্ৰেণীকোঠাৰ এই সমস্যা সমাধান কৰিব পাৰি।

কম বয়সীয়া ছাত্ৰ-ছাত্ৰী যিবিলাকে পঢ়িবলৈ শিকিছে তেওঁলোকৰ বাবে অংশীদাৰী লিখন বিশেষভাৱে ফলপ্ৰসূ। ভাববোৰ কেনেকৈ কথালৈ ৰূপান্তৰিত হয় আৰু কোৱা কথাবোৰ লিখনিত ধৰি ৰখা হয়, সেই ক্ষেত্ৰত অংশীদাৰী লিখনে সহায় কৰে। তথাপি, এই লিখন সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবেই মূল্যৱান।

এতিয়া ঘটনা অধ্যয়ন ২ ত থকা ইয়াৰ দুটা উদাহৰণ পঢ়ি চাওক।

### **ঘটনা অধ্যয়ন ২ ঃ ছাত্ৰ-ছাত্ৰীৰ কথাবোৰ লিখনিলৈ পৰিৱৰ্তন কৰা** (Case Study 2: Turning students' words into writing)

ঊষা দেৱী তেজপুৰৰ ওচৰৰ এখন গাঁৱৰ স্কুলৰ দ্বিতীয় শ্ৰেণীত পঢ়োৱা এগৰাকী শিক্ষয়িত্ৰী।

মই নিয়মিতভাৱে আলোচনী আৰু বিজ্ঞাপন আদি দিয়া সামগ্ৰীৰ পৰা ছবিবোৰ কাটি উলিয়াওঁ। সেইবোৰ হ'ল — বিভিন্ন ঠাই, জীৱ-জন্তু, মানুহ আদিৰ ছবি। সম্ভৱ হ'লে মই ৰঙচঙীয়া, কৌতুহলপূৰ্ণ আৰু অগতানুগতিক ছবি বিচাৰোঁ। এতিয়া মোৰ এনে ছবি বেচ কিছু সংগ্ৰহ হৈছে।

মই সৰু সৰু দল কৰি তেওঁলোকক প্ৰত্যেককে পাল পাতি লিখা কাম কৰিবলৈ দিওঁ। একে সময়তে শ্ৰেণীৰ আন ছাত্ৰ-ছাত্ৰীসমূহক বেলেগ এটা কামত ব্যস্ত কৰি থওঁ।

মই দলত ছবি এখন দি ছাত্ৰ-ছাত্ৰীসকলক কিছুসময়ৰ বাবে একেলগে আলোচনা কৰিবলৈ দিওঁ। তাৰপাছত মই ছাত্ৰ-ছাত্ৰীসকলক এজন এজনকৈ মাতি ছবি সম্পৰ্কে ক'বলৈ দিওঁ। মই তেওঁলোকে কোৱা কথাখিনি ব'ৰ্ডত লিখি দিওঁ।

যেতিয়া প্ৰত্যেকৰে কোৱা শেষ হয় তেতিয়া মই তেওঁলোকক তেওঁলোকে কোৱা কথাখিনিৰ শব্দবোৰ দেখুৱাই দি পঢ়ি শুনাওঁ। তাৰপাছত বাক্যবোৰ আমি পুনৰ চাওঁ আৰু নতুনকৈ সাজি একোটা কাহিনী তৈয়াৰ কৰোঁ। আমি সকলোৱে কাহিনীটো একেলগে ডাঙৰকৈ পঢ়োঁ আৰু নতুনকৈ নতুন শব্দ আৰু খণ্ডবাক্য সংযোগ কৰি সাৱলীল আৰু মনোগ্ৰাহী কৰোঁ। যেতিয়া সকলোৱে কাহিনীটো শুনি আনন্দ পায় তেতিয়া আমাৰ সকলোৰে সন্মতিত কাহিনীটোৰ এটা নাম দিওঁ।



চিত্ৰ ২ ঃ এটা দলে মিলি কাহিনীৰ কাম কৰি আছে

তাৰপাছত মই চাৰ্ট পেপাৰত কাহিনীটো লিখি শ্ৰেণীকোঠাৰ বেৰত আঁৰি দিওঁ। চাৰ্টখন যিকেইজন ছাত্ৰ-ছাত্ৰীয়ে তৈয়াৰ কৰিছিল তেওঁলোকৰ নামো লিখি দিওঁ।

মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক কাহিনীটো নিজৰ নিজৰ বহীত চাই চাই তুলি ল'ব দিওঁ আৰু কাহিনীটোৰ লগত মিলাকৈ ছবি আঁকিবলৈ দিওঁ।

গোপাল বড়ো বঙাইগাঁৱৰ এখন ডাঙৰ স্কুলৰ অষ্টম শ্ৰেণীত পঢ়োৱা এজন শিক্ষক।

মোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মন ক্ষুণ্ণ হৈছিল কিয়নো চৰকাৰে স্থানীয় বজাৰখন বেচ কিছু দূৰলৈ স্থানান্তৰিত কৰিবলৈ এটা আঁচনি হাতত লৈছিল। এনে হ'লে কিছুমান পৰিয়ালৰ বাবে বজাৰলৈ বস্তু নি বিক্ৰী কৰাত অসুবিধা হ'ব।

মোৰ ছাত্ৰ-ছাত্ৰীসকলে উপাযুক্ত লৈ এখন প্ৰতিবাদী চিঠি লিখিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। মই তেওঁলোকক এই কাৰ্যত সহায় কৰিবলৈ সন্মতি জনাইছিলোঁ। মই ছয়জনীয়া দলৰ প্ৰতিটো দলক একোখনকৈ কাগজ দিছিলোঁ আৰু তেওঁলোকক বজাৰ স্থানান্তৰিত কৰাৰ আঁচনি সম্পৰ্কে তেওঁলোকে কি ক'ব বিচাৰে তাৰ বাবে মূল কথাকেইটা লিখিবলৈ কৈছিলোঁ।



চিত্ৰ ৩ ঃ পত্ৰ লিখন

যেতিয়া তেওঁলোকৰ লিখা হ'ল তেতিয়া মই প্ৰতিটো দলকেই শ্ৰেণীৰ সকলোকে লিখা কথাখিনি জনাবলৈ দিলোঁ। তেওঁলোকে এনে কৰাৰ পাছত মই কৃষ্ণফলকৰ তেওঁলোকৰ ধাৰণাবোৰ লিখি দিছিলোঁ। কেতিয়াবা তেওঁলোকৰ ভাষাৰ মাজেদি খং প্ৰকাশ পাইছিল। সেইবাবে মই তেওঁলোকক তেওঁলোকৰ লিখাবোৰ বিনম্ৰভাৱে লিখাৰ গুৰুত্বটো বুজাই দিছিলোঁ লগতে এই কাৰণবোৰক দৃঢ়ভাৱে দেখুৱাবলৈ আৰু যদি তেওঁলোকে উপায়ুক্তক মনোযোগ দিয়াটো বিচাৰে তেনেহ'লে কিছুমান ভাল যুক্তিৰ প্ৰয়োজন বুলি কৈছিলোঁ। একেলগে আমি ব্লেকব'ৰ্ডত চিঠিখনৰ কথাবোৰ মোলায়েম বা শুৱলা হোৱালৈকে কেইবাবাৰো লিখিছিলোঁ।

মই শেষত তেওঁলোকক চূড়ান্ত কথাখিনি চিঠি আকাৰে লিখিবলৈ দিছিলোঁ। তেওঁলোকে এজনক চিঠিখন লিখিবলৈ বাছি ল'লে আৰু শেষত সকলোৱে স্বাক্ষৰ কৰি উপায়ুক্ত লৈ প'ষ্ট কৰি দিলে।

উপায়ুক্তক এখন বজাৰ স্থানান্তৰিত কৰা সম্পৰ্কে স্থানীয় মানুহৰ ভাবৰ প্ৰৱণতা প্ৰকাশ কৰি এখন আৱেদন লিখাৰ কথা মোৰ ছাত্ৰ-ছাত্ৰীয়ে ভাবিছিল। এই স্থানান্তৰিত কাৰ্যক বাধা দিবৰ বাবে সেই একে অংশীদাৰী লিখন প্ৰক্ৰিয়া আমি প্ৰয়োগ কৰিছিলোঁ। মোৰ ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ মাজলৈ এই আৱেদনখন লৈ যোৱাৰ বাবে পাল পাতি কোন কেনেকৈ যাব তাৰ বাবে দল গঠন কৰি কিছুদিনলৈ মানুহৰ স্বাক্ষৰ বিচৰাৰ বাবে পদক্ষেপ লৈছিল।

## চিন্তন (Pause for thought)

ওপৰোক্ত দুয়োটা ঘটনা অধ্যয়নৰ জৰিয়তে তলৰ প্ৰশ্নসমুহ বিবেচনা কৰা ঃ

- ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ দৰ্শক কোন আৰু লিখন উদ্দেশ্য কি?
- ৰচনা আৰু লিপিৰ যুটীয়া কামসমূহৰ মাজত কেনেকৈ ভাৰসাম্য ৰক্ষা কৰিব?
- ক্ৰিয়া-কলাপ কৰি থকা সময়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক মূল্যায়ন কৰিবলৈ কি সুযোগ পাব?
- প্ৰতিটো ঘটনা অধ্যয়নত ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত আৰু সামূহিকভাৱে লিখন কাৰ্য কেনেকৈ কৰিছিল সেইটো মন কৰক।

অংশীদাৰী লিখন কাৰ্যৰ পৰা সামাজিকভাৱে কিবা লাভ হ'ব বুলি ভাবেনে?

## ভি.ডি.অ' ঃ দলীয় কামৰ প্ৰয়োগ (Video: Using groupwork)

## ত্ৰি য়া-কলাপ ২ ঃ লিখনত গুৰুত্ব দি এটা পাঠ পৰিকল্পনা কৰা (Activity 2: Planning a writing-focused lesson)

ঘটনা অধ্যয়ন ২ ৰ শ্ৰেণীকোঠাৰ অনুশীলনৰ এটা বাছি তাত বৰ্ণনা কৰা অংশীদাৰী লিখনৰ ত্ৰি য়া-কলাপৰ সহায়ত এটা পাঠ পৰিকল্পনা কৰক। পৰিকল্পনা যিমান পাৰে সিমান হুবহু ৰূপত কৰক। আৰম্ভণিতে আপোনাৰ লাগতিয়াল সমলবোৰ চিনাক্ত কৰক আৰু ত্ৰি য়া-কলাপটোৰ প্ৰতিটো স্তৰৰ বাবে আপোনাক কিমান সময় লাগিব পাৰে সেইটো নিশ্চিত কৰক।

সমল ১ ক আপুনি আপোনাৰ পাঠ পৰিকল্পনা সহায়ৰ বাবে ল'ব পাৰে।

ইয়াত ঊষা দেৱীৰ বিৱৰণৰ ভিত্তিত পৰিকল্পনাটো উদাহৰণ হিচাপে আৰম্ভ কৰা হৈছে।

**পাঠ পৰিকল্পনা** (Lesson plan) ঃ ঊষা দেৱীৰ অংশীদাৰী লিখন ত্ৰি য়া-কলাপ

**উদ্দেশ্য** (Objectives) ঃ

- ছাত্ৰ-ছাত্ৰীক ভাব, কথা আৰু লিখনৰ মাজত এটা সম্পৰ্ক ৰক্ষা কৰিবলৈ উৎসাহ দিয়া
- ছবিকে সূত্ৰ হিচাপে লৈ যুৰীয়া আলোচনা কৰিবলৈ উৎসাহ দিয়া।
- শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীকে কাহিনী সৃষ্টি কৰাত সহযোগ কৰিবলৈ উৎসাহ দিয়া।

**সমলসমূহ**(Resources) ঃ

- আলোচনীৰ ছবি বা কটা ছবি বা ফটোকপি কৰা ডাঙৰ ছবি যাতে ছাত্ৰ-ছাত্ৰীয়ে স্পষ্টকৈ দেখা পায়।

**সময়** (Timing)

- ছবি পৰিচয়ৰ বাবে দহ মিনিট
- যুৰীয়াভাৱে ছবিখনৰ বিষয়ে কথা পাতিবলৈ পাঁচ মিনিট।
- শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ছবি চাই কথা পতাৰ বাবে বিশ মিনিট।

সম্পূৰ্ণ হোৱা পৰিকল্পনা লগত ৰাখক ত্ৰি য়া-কলাপ তিনি আৰু চাৰিৰ বাবে ই এটা আদৰ্শ আৰ্হি হ'ব।

**ভি.ডি.অ'** ঃ পাঠ পৰিকল্পনা (Video: Planning lessons)

## ত্ৰি য়া-কলাপ ৩ ঃ প্ৰকৃত দৰ্শক আৰু উদ্দেশ্যৰ কাৰণে লিখন (Activity 3: Writing for real audiences and purposes)

আপুনি আপোনাৰ সহকৰ্মীৰ লগ হৈ ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত দৰ্শক আৰু উদ্দেশ্যৰ কাৰণে লিখন কাৰ্য কৰিবলৈ যিমান পাৰে সিমান সুযোগৰ কথা ভাবক। ইয়াত কিছুমান সম্ভৱপৰ সুযোগ আছে। আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ বয়স, অভিজ্ঞতাৰ লগত মিলাই আৰু নিৰ্দিষ্ট প্ৰসঙ্গ অনুসৰি আন কিছুমান সংযোগ কৰিব পাৰে।

**আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে পাৰিব** (Your students could) :

- নিজৰ পৰিয়ালৰ বাবে, জন্ম দিনৰ শুভেচ্ছা পত্ৰ বা উৎসৱৰ পত্ৰ ছবি আঁকি লিখিব পাৰিব।
- গাঁৱৰ সৰু ল'ৰা-ছোৱালীৰ বাবে কিতাপ তৈয়াৰ কৰিব
- সৰু ল'ৰা-ছোৱালীৰ বাবে কাহিনী বা কবিতা লিখিব
- ডায়েটৰ মাধ্যমেৰে যোগাযোগ কৰি আন জিলাৰ বা নগৰৰ সমনীয়াৰ লগত 'পত্ৰ বন্ধু' পাতিব
- কোনো লেখক, ৰাজনীতিবিদ বা উদ্যোগীসকলক তেওঁলোকক কামৰ বিষয়ে প্ৰ ্ন কৰি চিঠি লিখিব
- বিদ্যালয়ৰ চৌহদ বা বাহিৰৰ বাবে হাত ধোৱাৰ গুৰুত্ব সম্পৰ্কে লিখি স্বাস্থ্য সম্পৰ্কীয় পোষ্টাৰ তৈয়াৰ
- ঘৰত খোৱা খাদ্যৰ ৰন্ধন প্ৰণালী লিখি শ্ৰেণীৰ বাবে এখন ৰন্ধন বিধিৰ কিতাপ তৈয়াৰ কৰি তাকে ফটো কপি কৰি বিলাব
- স্থানীয় কোনো বিষয় সম্পৰ্কে মতামত প্ৰদান কৰি বাতৰি কাকতলৈ লিখিব
- নতুনকৈ শ্ৰেণীত ভৰ্ত্তি হোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে উপদেশ লিখি এখন 'সম্ভাষণ নিৰ্দেৰ্শনা' তৈয়াৰ কৰিব।

- গাঁৱৰ বা জিলাৰ বাবে একোখন নিদের্শনা তৈয়াৰ কৰিব।

**আপুনি তালিকা কৰা পৰামৰ্শৰ বাবে টোকা প্ৰস্তুত কৰক** (For all the suggestions you list, makes notes on):

- লিখনিবোৰৰ বাবে সম্ভাব্য দৰ্শক কোন (পিতৃ-মাতৃ, আন ছাত্ৰ-ছাত্ৰী, সমাজৰ ব্যক্তি , আলহী ইত্যাদি)
- এই লিখনিবোৰৰ উদ্দেশ্য কি (খবৰ দিয়া, সেৱা শুশ্ৰূষা, ৰং ধেমালি, প্ৰত্যয় জন্মোৱা, শিকোৱা ইত্যাদি)
- কেনেকৈ লিখিব সেইটো আৰ্হি হিচাপে কেনেকৈ দিব পাৰে (আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীক এটা বাস্তৱ উদাহৰণ দেখুৱাব পাৰে, সাধাৰণ নক্সা এটা দেখুৱাব পাৰে, মুল শব্দ আৰু খণ্ডবাক্যৰ তালিকা ইত্যাদি)
- লিখন ত্রি য়া-কলাপৰ ক্ষেত্ৰত ৰচনা আৰু লিপি সম্পৰ্কীয় কাৰ্যৰ কিদৰে সমতা ৰক্ষা কৰিব

## ত্রি য়া-কলাপ ৪ ঃ ছাত্ৰ-ছাত্ৰীৰ সৈতে অংশীদাৰী লিখনৰ পাঠ কাৰ্যকৰীকৰণ (Activity 4: Implementing a shared writing lesson with your students)

আপোনাৰ তালিকাৰ পৰা এটা ধাৰণা বাছি লৈ শ্ৰেণীকোঠাত প্ৰয়োগ কৰিবলৈ প্ৰস্তুত কৰক। পূৰ্বৰ পাঠ পৰিকল্পনাটো সহায়ক হিচাপে ব্যৱহাৰ কৰি এটা নতুন পাঠ পৰিকল্পনা কৰক আৰু তলৰ দিশকেইটা নিশ্চিত কৰক ঃ

- দৰ্শক আৰু কামৰ উদ্দেশ্য
- অংশীদাৰী লিখনৰ বাবে লোৱা উপাদানৰ প্ৰকৃতি
- ৰচনা আৰু প্ৰতিলিপিৰ বাবে প্ৰয়োজনীয় সময়ৰ সমতা

প্ৰথমতে আপুনি এই ত্রি য়া-কলাপটো যদি আপোনাৰ সহকৰ্মীৰ সৈতে পৰীক্ষা কৰি চায় তেনেহ'লে এই কামটোৱে আপোনাক সহায় কৰিব পাৰে। তেওঁলোকৰ পৰা প্ৰতিপুষ্টি বিচাৰি সেইমতে আপুনি পাঠ পৰিকল্পনাটো সজাই ল'ব। যেতিয়া আপুনি সম্পূৰ্ণ প্ৰস্তুত হয় তেতিয়া ইয়াক শ্ৰেণীত কাৰ্যকৰী কৰিব।

ছাত্ৰ-ছাত্ৰীৰ লিখনৰ বিভিন্ন প্ৰণালীৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিবলৈ তেওঁলোকক আপুনি চলন্ত ধাৰা ভাষ্যৰ সহায়েৰে অংশীদাৰী তেওঁলোকৰ আকাংখিত উদ্‌গতিৰ আশা কৰি, লিখনিৰ পৰিৱৰ্তনসমূহ যোগান ধৰিব। এই পৰিৱৰ্তনসমূহৰ সম্পৰ্ক লিখনৰ বিভিন্ন শৈলীৰ লগত হ'ব পাৰে। উদাহৰণস্বৰূপে- এই পাঠবোৰ আনুষ্ঠানিক বা অনানুষ্ঠানিক হ'ব পাৰে, শব্দৰ ব্যৱহাৰৰ ক্ষেত্ৰত হ'ব পাৰে নাইবা পৰিৱৰ্তনসমূহ ত্র ম আৰু ধাৰাবাহিকতাৰ লগতো হ'ব পাৰে। লিখাবোৰ পঢ়ক আৰু এইবোৰ কেনেধৰণে উচ্চাৰিত হৈছে সেইটো লক্ষ্য কৰক যাতে এইবোৰ ত্র মে ত্র মে সংশোধিত হয়। এই কামটোৰ দ্বাৰা আপুনি দেখুৱাই দিলে যে ভাল ৰচনাৰ বাবে ভাব আৰু মনোযোগৰ প্ৰয়োজন হয়।

একে সময়তে আপুনি আপোনাৰ সুন্দৰ হাতৰ আখৰ, যতি চিহ্নৰ প্ৰয়োগ, শুদ্ধ বানান, ব্যাকৰণ আদি লিখন প্ৰতিলিপিকৰণ কৌশল প্ৰদৰ্শন কৰিব। আপুনি এই সকলো লগ লাগিয়ে যে এটা সুন্দৰ পাঠ সৃষ্টি হয় যিটোৰ প্ৰভাৱ দৰ্শকৰ ওপৰত পৰে সেই কথাটো ভালদৰে বুজাই দিব।

**চিন্তন** (Pause for thought)

- পাঠটো কিমানখিনি কৃতকাৰ্য হৈছিল? আপুনি কেনেকৈ ক'ব পাৰিব?
- আপুনি সকলো ছাত্ৰ-ছাত্ৰীয়ে যে শিকি আছিল সেইটো কেনেকৈ নিৰীক্ষণ কৰিছিল?

অংশীদাৰী লিখন সকলোৱে মিলা মিচাকৈ কৰিব পৰা এটা সহযোগী কাম। এই লিখনে আত্মবি শ্বাস কম থকা ছাত্ৰ-ছাত্ৰীক যথেষ্ট সহায় কৰে আৰু বানান ভুল কৰা ছাত্ৰ-ছাত্ৰীৰ বাবেও সহায়ক। অংশীদাৰী লিখনে ছাত্ৰ-ছাত্ৰীসকলক কোনো কথা লিখিতভাৱে জনাবলৈ কেনেকৈ আৰ্হি প্ৰস্তুত কৰিব লাগে সেই সম্পৰ্কে সুন্দৰকৈ দেখুৱাই দিয়ে।

## ৩) সাৰাংশ (3 Summary)

এই গোটটোৰ পৰা লিখন সম্পৰ্কীয় বিভিন্ন উপায় আপুনি প্ৰকৃত শ্ৰোতাৰ বাবে আৰু নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে লিখনিৰ কথা বিবেচনা কৰিলে। এখন যথাৰ্থ বি শ্বস্ত লিখক হ'বলৈ ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট অনুশীলন কৰাৰ প্ৰয়োজন। লিখন কাৰ্য যে উদ্দেশ্যধৰ্মী আৰপ ফলদায়ক সেই কথা ছাত্ৰ-ছাত্ৰীক দেখুৱাই তেওঁলোকৰ লিখন কাৰ্যৰ বিকাশত আপুনি সহায় কৰিব পাৰে। আপুনি ৰচনা বা বাক্য গঠন আৰু লিপিত

গুৰুত্ব দি যোগাযোগ বৃদ্ধি কৰিব পাৰে। লগে ভাগে এটি অংশীদাৰী লিখন কাৰ্যত ভাগ লৈ লিখন কাৰ্যৰ প্ৰকৃত উদ্দেশ্য বুজিবলৈ আপোনাৰ ছাত্ৰ-ছাত্ৰী সক্ষম হ'ব।

এই গোটটোৱে আপোনাক লিখনত গুৰুত্ব দি এটি পাঠ পৰিকল্পনা কৰাৰ সুযোগ দিব। পৰিকল্পনা কৰিলে আপুনি শিকাব বিচৰা শিকনীয় লক্ষ্যত উপনীত হোৱাত সহায় হ'ব আৰু এনে পৰিকল্পনাবোৰ আন বহু পাঠ শিকোৱাত ব্যৱহাৰ কৰিব পাৰিব।

# সমলসমূহ (Resources)

## সমল ১ ঃ পাঠ পৰিকল্পনা (Resource 1: Planning lessons)

### কিয় প্ৰস্তুতি আৰু পৰিকল্পনা অতি প্ৰয়োজন (Why planning and preparing are important)

ভাল পাঠৰ বাবে পৰিকল্পনা থাকিব লাগে। পৰিকল্পনাই আপোনাৰ পাঠটিক স্পষ্ট আৰু সময়োপযোগী কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী আৰু সত্ৰি য় কৰি তোলাত সহায় কৰে। কাৰ্যক্ষম পৰিকল্পনাত এনে কিছু নমনীয়তা থাকে যাতে শিক্ষকে শ্ৰেণীকোঠাত পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীক তেওঁ শিকোৱা বিষয় কেনেদৰে শিকিব পাৰিছে তাৰ ওপৰতো সঁহাৰি জনাব পাৰে। পৰিকল্পিতভাৱে এলানি পাঠৰ ওপৰত কাম কৰিলে ছাত্ৰ-ছাত্ৰীৰ প্ৰাৰম্ভিক জ্ঞান আৰু ছাত্ৰ-ছাত্ৰীক বুজাত সুবিধা হয়। এই কামে পাঠ্যত্ৰ মৰ লগত সংগতি ৰাখি উৎকৃষ্ট সমল বিচাৰি উলিয়াই ছাত্ৰ-ছাত্ৰীক শিকাত সহায় কৰে।

পাঠ পৰিকল্পনা এক ধাৰাবাহিক প্ৰত্ৰি য়া। পৰিকল্পনাই একক পাঠ পৰিকল্পনা তথা বহু পাঠৰ পৰিকল্পনাত সহায় কৰে। এই পৰিকল্পনাৰ স্তৰবোৰ হ'ল —

- ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ বাবে কি প্ৰয়োজন তাৰ ওপৰত স্পষ্ট ধাৰণা লোৱা
- ছাত্ৰ-ছাত্ৰীক কেনেদৰে পাঠদান কৰিলে তেওঁলোকে পাঠৰ বিষয়সমূহ বুজি পাব তালৈ লক্ষ্য কৰিব আৰু তেওঁলোকৰ সঁহাৰিৰ প্ৰতি নমনীয় উচিত প্ৰত্যুত্তৰ দিব।
- পাঠটো সুন্দৰ ৰূপত কেনেদৰে পৰিচালিত হৈছিল তাক পুনৰীক্ষণ কৰা আৰু ভৱিষ্যৎ পাঠ পৰিকল্পনাৰ বাবে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কিমান আয়ত্ত কৰিব পাৰিলে তাৰ আভাস দিয়া।

### এলানি পাঠৰ পৰিকল্পনা (Planning a series of lessons)

আপুনি যেতিয়া পাঠ্যত্ৰ মৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰিব, তেতিয়া পৰিকল্পনাৰ প্ৰথম স্তৰত পাঠ্যত্ৰ মৰ বিষয়সমূহ কেনেদৰে ভাগ কৰিব তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। এই ক্ষেত্ৰত নিৰ্দ্ধাৰিত সময় তথা ছাত্ৰ-ছাত্ৰীসকলক পৰ্যায়ত্ৰ মে আগবঢ়াব বিচৰা ধৰণে জ্ঞান আৰু দক্ষতাৰ ওপৰতো লক্ষ্য ৰাখিব লাগিব। আপোনাৰ অভিজ্ঞতা বা সহকৰ্মীৰ লগত হোৱা আলোচনাৰ পৰা আপুনি অনুমান কৰিব পাৰিব যে এটা বিষয়ে চাৰিটা পৰ্যন্ত পাঠ সামৰি লৈছে, কিন্তু আন কোনো এটাই মাত্ৰ দুটা পাঠহে সামৰি লৈছে।

আপুনি জানে যে অন্যান্য বিষয়বোৰ যেতিয়া বহলাই বুজাব তেতিয়া আপুনি ইতিমধ্যে শিকোৱা বিষয়সমূহ বিভিন্ন প্ৰকাৰে আৰু বিভিন্ন সময়ত এই পাঠবোৰত পুনৰবাৰ আলোচিত হ'ব। সকলো পাঠৰ পৰিকল্পনাৰ ক্ষেত্ৰত তলৰ বিষয়বোৰৰ ওপৰত আপোনাৰ স্পষ্ট ধাৰণা থকা প্ৰয়োজন—

- ছাত্ৰ-ছাত্ৰীয়ে কি শিকাটো বিচাৰে
- প্ৰতিটো শিক্ষণ কেনেদৰে উত্থাপন কৰিব
- ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব লাগিব আৰু কিয়

আপুনি শিক্ষণক সত্ৰি য় তথা আমোদজনক কৰিব বিচাৰে যাতে ছাত্ৰ-ছাত্ৰীসকলে সহজ অনুভৱ কৰে আৰু তেওঁলোক কৌতুহলী হয়। ভিন্নতা আৰু আগ্ৰহৰ বাবে আপুনি এলানি পাঠৰ বাবে কি কৰিব ঠিৰাং কৰি লওক। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বোধগম্যতা নিৰীক্ষণৰ বাবে কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিব? অলপ নমনীয় হোৱাৰ বাবে প্ৰস্তুত থাকিব যদিহে কোনো বিষয় বেছি দীঘলীয়া হয় বা সহজে আয়ত্তলৈ নাহে।

## একক পাঠৰ প্ৰস্তুতি (Preparing individual lessons)

পাঠলানিৰ পৰিকল্পনা কৰাৰ পাছত আপুনি ছাত্ৰ-ছাত্ৰীৰ সেই পৰ্যায়লৈকে থকা জ্ঞানৰ ওপৰত গুৰুত্ব দি প্ৰতিটো পাঠৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰক। ছাত্ৰ-ছাত্ৰীসকলে এই পৰ্যায়লৈকে কি শিকা উচিত বা পাঠৰ শেষৰফালে কি কি শিকিবলৈ সক্ষম হ'ব, সেইটো আপুনি জনা উচিত। আপুনি নভবা কোনো বিষয় পুনৰীক্ষণ কৰিব লগাও হ'ব পাৰে অথবা খৰকৈ বেলেগ বিষয়লৈ আগবাঢ়িবও লাগিব পাৰে। সেয়েহে প্ৰতিটো একক পাঠৰ পৰিকল্পনা এনেদৰে কৰিব লাগিব যাতে সকলো ছাত্ৰ-ছাত্ৰীৰে শৈক্ষিক দিশত বিকাশ হয়, কৃতকাৰ্যতা আৰু আত্মীয়তা অনুভৱ কৰিব পাৰে।

পাঠৰ পৰিকল্পনা কৰোঁতে আপুনি নিশ্চিত হ'ব যে প্ৰতিটো ত্ৰি য়া-কলাপৰ বাবে যথেষ্ট সময় থাকে আৰু সত্ৰি য় গোটকৰ্মৰ বাবে কোনো সমল মজুত থাকে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীৰ বাবে সমলৰ পৰিকল্পনা কৰোঁতে আপুনি বিভিন্ন গোটৰ বাবে বিভিন্ন প্ৰ.ামালা আৰু ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰাতো প্ৰয়োজনীয়। আপুনি যেতিয়া নতুন বিষয় এটা শিকাব, তেতিয়া আপুনি কিছু সময় উলিয়াই পাঠৰ অনুশীলন কৰিব। আপোনাৰ আত্মবি ধাস বঢ়াবৰ বাবে সহকৰ্মী শিক্ষকৰ লগত ভাব বিনিময় কৰিব।

আপোনাৰ পাঠটো তিনিটা ভাগত প্ৰস্তুত কৰাৰ কথা ভাবক। এই ভাগবোৰ তলত আলোচনা কৰা হ'ল —

**১) পৰিচয় (The introduction) ঃ** পাঠৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে কি কি শিকিব আৰু কৰিব তাক অৱগত কৰাব যাতে তেওঁলোকৰ পৰা কি বিচৰা হৈছে সেইটো তেওঁলোকে বুজি পায়। নতুনকৈ শিকিব লগা বিষয়ৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ বাবে তেওঁলোকে এতিয়ালৈকে কি কি শিকিলে তাৰ বিষয়ে তেওঁলোকৰ মাজতে আলোচনা কৰিবলৈ দিয়ক।

**২) পাঠৰ মূল ভাগ (The main part of the lesson) ঃ** ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে জনাৰ ওপৰত ভিত্তি কৰি পাঠৰ থূলমূলভাৱে আভাস দিয়ক। আপুনি স্থানীয় সমল, নতুন সম্ভেদ বা গোট কৰ্ম বা সমস্যা সমাধানৰ দৰে সত্ৰি য় কৰ্মৰ ব্যৱহাৰৰ বাবেও বিৱেচনা কৰিব পাৰে। সমলবোৰ বাছি উলিৱাওক আৰু শ্ৰেণীকোঠাৰ ভিতৰত কেনেদৰে ব্যৱহাৰ কৰিব পাৰি বিবেচনা কৰক। বিভিন্নধৰণৰ ত্ৰি য়া-কলাপ, সমল আৰু সময়ৰ ব্যৱহাৰ পাঠ পৰিকল্পনাৰ অন্যতম অংশ। যদি আপুনি বিভিন্ন পদ্ধতি আৰু ত্ৰি য়া-কলাপবোৰ ব্যৱহাৰ কৰে, তেনেহ'লে আপুনি বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীক বুজাব পাৰিব কাৰণ তেওঁলোকে বিভিন্ন ধৰণেৰে শিকাৰ সুযোগ পাব।

**৩) পাঠৰ শেষত শিকনৰ নিৰীক্ষণ (The end of the lesson to check on learning) ঃ** শিকনৰ অগ্ৰগতি নিৰূপনৰ বাবে সদায় কিছু সময় দিব লাগে (পাঠৰ মাজত বা পাঠৰ শেষত)। নিৰীক্ষণে সদায় পৰীক্ষাকে নুবুজায়। সাধাৰণতে ই খৰটকীয়া আৰু ঠাইতে হোৱা হ'ব লাগে। যেনে - কোনো পূৰ্ব পৰিকল্পিত প্ৰ. বা ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে তাৰ উপস্থাপন পৰ্যৱেক্ষন কৰা। কিন্তু আপোনাৰ পৰিকল্পনা ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যুত্তৰৰ লগত সংগতি ৰাখিব পৰাকৈ নমনীয় তথা পৰিৱৰ্তনশীল হ'ব লাগে।

পাঠটি শেষ কৰাৰ এটি সুন্দৰ প্ৰণালী হৈছে পাঠৰ প্ৰথম অংশত থকা উদ্দেশ্যলৈ পুনৰ ঘূৰি যোৱা আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বা আপোনাক শিকনৰ অগ্ৰগতিৰ বিষয়ে জনোৱা। ছাত্ৰ-ছাত্ৰীৰ কথোপকথনলৈ মনোনিৱেশ কৰিলে পৰৱৰ্তী পাঠৰ বাবে কি পৰিকল্পনা কৰিব লাগিব সেইবিষয়ে আপুনি নিশ্চিত হ'ব পাৰিব।

**৪) পাঠৰ পুনৰীক্ষণ (Reviewing lessons) ঃ** প্ৰতিটো পাঠৰ পৰ্যালোচনা কৰক আৰু আপুনি কি কৰিছিল, ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে, কি কি সমল ব্যৱহৃত হ'ল আৰু পাঠ পৰিকল্পনা কিমান সফলৰূপে আগুৱাই গৈছিল, তাৰ খতিয়ান লিখি ৰাখক যাতে পৰৱৰ্তী পাঠৰ পৰিকল্পনাত উন্নয়ন বা সমাযোজন ঘটাব পাৰি। উদাহৰণস্বৰূপে, আপুনি মনস্থ কৰিব পাৰে-

- ত্ৰি য়া-কলাপৰ সাল-সলনি বা আংশিক পৰিৱৰ্তন
- কিছু সংখ্যক মুক্ত আৰু নিৰ্দ্ধাৰিত প্ৰ.ৰ উত্তৰ প্ৰস্তুত
- যিসকল ছাত্ৰ-ছাত্ৰীৰ বুজিবৰ বাবে অতিৰিক্ত সহায়ৰ প্ৰয়োজন হয় তেওঁলোকৰ বাবে এটা অনুধাৱন কাৰ্যকালৰ ব্যৱস্থা

ছাত্ৰ-ছাত্ৰীক আৰু ভালকৈ বুজাত সহায়ক হোৱাকৈ আপুনি কেনেধৰণৰ পৰিকল্পনা কৰিব ভাবক। প্ৰতিটো পাঠ আগবাঢ়ি যোৱাৰ লগে লগে আপোনাৰ পাঠ পৰিকল্পনালৈ অনিবাৰ্যৰূপে পৰিৱৰ্তন আহে, কাৰণ প্ৰকৃত পাঠদানত কি হ'ব তাক আগতীয়কৈ অনুমান কৰা কঠিন। সুন্দৰ পাঠ পৰিকল্পনাৰ অৰ্থ হ'ল আপুনি জানে যে কি শিকন হ'ব লাগে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃততে কি শিকিলে সেইবিষয়ে আপুনি নমনীয়ভাৱে সঁহাৰি জনাবলৈ প্ৰস্তুত থাকিব লাগিব।

# Additional resources

- A language activity using newspapers: http://www.teachersofindia.org/en/article/classroom-sparkler-newspaper
- Some writing resources can be found on the Azim Premji Foundation website: http://www.azimpremjifoundation.org/E-learning_Resources
- You may be able to find some resources on the NUEPA website: http://www.nuepa.org/
- Support for teachers can be found on the Teacher Education website of MHRD: http://www.teindia.nic.in

# References/bibliography

Black Country Children's Services Improvement Partnership (undated) *Black Country Challenge KS1 & 2 Writing Project 2009/2010* (online). Wolverhampton: Black Country Children's Services Improvement Partnership. Available from: http://www.gillmatthews.co.uk/images/downloads/bcc%20writing%20project_FINAL.PDF (accessed 29 October 2014).

Katahira, J. (undated) 'Note writing in the primary classroom' (online), ReadWriteThink. Available from: http://www.readwritethink.org/classroom-resources/lesson-plans/note-writing-primary-classroom-285.html?tab=4#tabs (accessed 29 October 2014).

Kopp, K. (2008a) *Learning through Writing, Grade 3: Authentic Writing Activities for the Content Areas*. Gainsville, FL: Maupin House Publishing.

Kopp, K. (2008b) *Learning through Writing, Grade 5: Authentic Writing Activities for the Content Areas*. Gainsville, FL: Maupin House Publishing.

Lidvall, C.D. (2008) *Get Real: Instructional Implications for Authentic Writing Activities* (online), DiscoverArchive, Vanderbilt University. Available from: http://discoverarchive.vanderbilt.edu/bitstream/handle/1803/789/CarlyLidvallCapstone.pdf?sequence=1 (accessed 29 October 2014).

O'Sullivan. O. (2007) *Understanding Spelling*, London: Centre for Literacy in Primary Education.

Pavlock, K. (undated) 'Writing for the real world' (online), ReadWriteThink. Available from: http://www.readwritethink.org/parent-afterschool-resources/tips-howtos/writing-real-world-30115.html (accessed 29 October 2014).

Wilcox, A. (undated) 'Literary resource: writing for purpose' (online), Teach Primary. Available from: http://www.teachprimary.com/learning_resources/view/literacy-resource-writing-for-purpose (accessed 29 October 2014).

# Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.